আল্লাহে সেই ব্যক্তিৰ প্ৰতি (ৰহমতৰ) দৃষ্টি প্ৰদান নকৰিব, যিয়ে অহংকাৰ কৰি কাপোৰ চোঁচৰাই পিন্ধি ফুৰে।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আল্লাহে সেই ব্যক্তিৰ প্ৰতি (ৰহমতৰ) দৃষ্টি প্ৰদান নকৰিব, যিয়ে অহংকাৰ কৰি কাপোৰ চোঁচৰাই পিন্ধি ফুৰে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত অহংকাৰ কৰি বা আগ্ৰহী হৈ ভৰিৰ সৰুগাঁঠিৰ তলত কাপোৰ ওলমাই পিন্ধাৰ পৰা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সতৰ্ক কৰিছে। যিয়ে এইদৰে কাপোৰ পৰিধান কৰে, তাৰ বিষয়ে কঠিন সতৰ্কবাণী প্ৰদান কৰা হৈছে। কাৰণ কিয়ামতৰ দিনা তাৰ প্ৰতি আল্লাহে ৰহমতৰ দৃষ্টিৰে নাচাব।

https://sunnah.global/hadeeth/as/show/5370